بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

## খায়বৰৰ যুদ্ধৰ প্ৰেক্ষাপটত নবী কৰিম (ছাঃ)ৰ জীৱনীৰ বৰ্ণনা

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ১৪ ফেব্ৰুৱাৰী ২০২৫ চনত মছজিদ মোবাৰক ইছলামাবাদ টিলফোৰ্ড (বৃটেইনত) প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

أَشْهَدُ أَنْ لَا إِلَٰهَ إِلَّا اللهُ وَحْدَهُ لَا شَرِيكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُولُهُ أَمَّا بَعْدُ فَأَعُوذُ بِاللهِ مِنَ الشَّيْطَانِ الرَّجِيمِ ـ بِسْمِ اللهِ الرَّحْمَٰنِ الرَّحِيمِ ـ اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ ـ الرَّحْمٰنِ الرَّحِيْمِ ـ مٰلِكِ يَوْمِ الدِّيْنِ ـ اِيَّاكَ نَعْبُدُ وَاِيَّاكَ نَسْتَعِيْنُ ـ اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ ـ صِرَاطَ الَّذِيْنَ اَنْعَمْتَ عَلَيْهِمْ ۙ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ ـ

তাছাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে, খায়বৰৰ যুদ্ধৰ বৰ্ণনা হৈ আছিল। এতিয়া খায়বৰৰ দ্বিতীয় দুৰ্গৰ বিজয়ৰ কথা উল্লেখ কৰিম।

এই দ্বিতীয় দুৰ্গক ছাআব বিন মাআজ কোৱা হয়। এই দুৰ্গত খায়বৰৰ আন আন সকলো দুৰ্গতকৈ অধিক খাদ্য, পশু আৰু বস্তু-বাহানি আছিল। ইয়াতে পাঁচ শ যোদ্ধা অৱস্থান কৰিছিল। মুছলমান সকলে এই দুৰ্গত ঘেৰাও কৰি ৰাখিছিল, কিন্তু সফলতা লাভ কৰিব নোৱাৰিছিল। চাহাবা (ৰাঃ)সকলে ৰছুলুল্লাহ (ছাঃ)ৰ ওচৰত উপস্থিত হৈ নিজৰ ভোকৰ কথা উল্লেখ কৰে, তেতিয়া তেখেত (ছাঃ)য়ে কয় যে শপত সেই অস্তিত্বৰ যাৰ হাতত মোৰ প্ৰাণ আছে, মোৰ ওচৰত একোৱে নাই যি তোমালোকক দিব পাৰো। তাৰ পিছত তেখেত (ছাঃ)য়ে এই প্ৰাৰ্থনা কৰে যে হে আল্লাহ ! খাদ্য আৰু চৰ্বিৰে ভৰা, ইয়াৰ দ্বাৰা তেওঁলোকৰ বিজয় প্ৰদান কৰা। ইয়াৰ পিছত কিছু চাহাবা (ৰাঃ) আৰু ইহুদীসকলৰ মাজত যুদ্ধ হয়। এজন চাহাবাই এজন ইহুদীৰ মূৰত আঘাত হানি জাতিৰ গৌৰৰৰ ধ্বনি লগায়। ইয়াৰ পিছত চাহাবা (ৰাঃ)য়ে কয় যে তেওঁৰ জেহাদ মিছা সাব্যস্ত হৈ গৈছে, অৰ্থাৎ জাতিৰ ধ্বনি লগাই তেওঁ যি গৌৰৱ কৰি নিজকে ডাঙৰ বুলি বয়ান কৰিছে এইটো ঠিক হোৱা নাই। যেতিয়া এই কথা ৰছুলুল্লাহ (ছাঃ)য়ে জানিব পাৰিলে তেতিয়া তেখেত (ছাঃ)য়ে কয়, কোনো সমস্যা নাই, তেওঁ প্ৰতিদান পাব আৰু তেওঁৰ প্ৰশংসাও কৰা হ'ব। অৰ্থাৎ এনেকুৱা পৰিস্থিতিত যদি কোনোবাই এনেধৰণৰ কথা কৈ দিয়ে তেন্তে সেইটো ডাঙৰ কথা নহয়।

হজৰত মহম্মদ বিন মাছলামা (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে মই ৰছুলুল্লাহ (ছাঃ)ক দেখা পালো যে তেখেত (ছাঃ)য়ে ধনুৰ দ্বাৰা কাঁড় নিক্ষেপ কৰি আছিল, তেখেত (ছাঃ)ৰ এটা লক্ষ্যও বিফল হোৱা নাছিল। তেখেত

(ছাঃ)য়ে মোৰ ফালে চাই মিচিকি হাঁহি মাৰিলে। হজৰত হাবাব বিন মনজৰ (ৰাঃ)য়ে নিজৰ যুৱক সকলৰ সৈতে দুৰ্গৰ ভিতৰত সোমাই ভীষণ যুদ্ধ কৰি অৱশেষত বিজয় লাভ কৰে, আৰু খাদ্য-সামগ্ৰী দখল কৰি লয়। ৰছুলুল্লাহ (ছাঃ)ৰ ঘোষকে কলে যে নিজে খোৱা আৰু নিজৰ জন্তুবোৰকও খোৱাওক, কিন্তু একোৱে লগতে লৈ নাযাব।

ইয়াৰ পিছত তৃতীয় দুৰ্গ, দুৰ্গ জুবেৰৰ বিজয়ৰ উল্লেখ পোৱা যায়। যেতিয়া ইহুদীসকলে দুৰ্গ চাআব আৰু নাঈমৰ পৰা ওলাই জুবেৰ দুৰ্গৰ ফালে আগবাঢ়ে, তেতিয়া ৰছুলুল্লাহ (ছাঃ)য়ে সেই দুৰ্গৰ ঘেৰাও কৰে। এই দুৰ্গ পাহাৰৰ শিখৰত অৱস্থিত আছিল। তেখেত (ছাঃ)য়ে তিনি দিন সেই দুৰ্গ ঘেৰাও কৰি ৰাখিলে, কিন্তু সফল হ’ব নোৱাৰিলে। এজন ইহুদী উপস্থিত হৈ নিৰাপত্তা দিয়াৰ চৰ্তৰে কয় যে যদি আপুনি এইদৰে এমাহ পৰ্যন্ত তেওঁলোকক ঘেৰাও কৰি ৰাখে তথাপি তেওঁলোকৰ কোনো পাৰ্থক্য নপৰিব। মাটিৰ তলত তেওঁলোকৰ বাবে সুৰংগ আছে, এওঁলোকে ৰাতি ওলাই পানী লৈ আহে তাৰ পিছত নিজৰ নিজৰ দুৰ্গৰ ফালে যায়। আপুনি যদি তেওঁলোকৰ বাবে পানীৰ ৰাস্তা বন্ধ কৰে তেতিয়া তেওঁলোকে অস্ত্ৰ প্ৰয়োগ কৰিব। ৰছুলুল্লাহ (ছাঃ)য়ে তেওঁলোকৰ পানীৰ ৰাস্তা বন্ধ কৰি দিলে, যেতিয়া পানীৰ ৰাস্তা বিচ্ছিন্ন হৈ পৰিল তেতিয়া তেওঁলোকে বাহিৰলৈ ওলাই আহিল,যাৰ ফলত তীব্ৰ যুদ্ধ আৰম্ভ হ’ল। সেইদিনা মুছলমান সকলৰ মাজৰ কিছুমান চাহাবা (ৰাঃ) শ্বহীদ হয় আৰু ইহুদী সকলৰও দহজন মানুহ নিহত হয়। ইয়াৰ পিছত তেখেত (ছাঃ)য়ে বিজয় লাভ কৰে। তাৰ পিছত ৰছুলুল্লাহ (ছাঃ)য়ে শ্বাক্ক দুৰ্গত গৈ উপস্থিত হয়।

ইহুদীসকলৰ চৰ্দাৰ ছালাম বিন মুশ্বকমৰ হত্যাৰ উল্লেখ পোৱা যায়। ইতিহাসত উল্লেখ পোৱা যায় যে তেওঁ অসুস্থ আছিল সেই কাৰণে যুদ্ধত অংশ গ্ৰহণ কৰিব বিচৰা নাছিল। তেওঁৰ লগৰীয়াসকলে তেওঁক পৰামৰ্শ দিছিল যে তেওঁ আন কৰোবালৈ গুচি যোৱা উচিত; কিন্তু তেওঁ এই পৰামৰ্শ গ্ৰহণ নকৰে। অৱশেষত তেওঁ মুছলমান সকলৰ হাতত নিহত হয়। হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে যে যদি তেওঁৰ অসুস্থৰ কথা সঠিক হয় আৰু তেওঁৰ যুদ্ধ কৰাৰ ইচ্ছা নাছিল তথাপি তেওঁৰ হত্যা হোৱাৰ ঘটনাটো আপত্তিমূলক নহয় যে তেওঁ নিজৰ সেনা বাহিনী যুদ্ধ কৰাৰ বাবে প্ৰস্তুত কৰি পঠিয়াইছিল আৰু সেইবোৰৰ নিৰীক্ষণও কৰি আছিল, সেই সময়ছোৱাত কোনো চাহাবাই যুদ্ধ অৱস্থাত তেওঁক হত্যা কৰি পেলাইছিল। সেনা বাহিনীৰ চৰ্দাৰ অতি গুৰুত্বপূৰ্ণ। চৰ্দাৰৰ মৃত্যুৰ পিছত সেনা বাহিনীয়ে সাহস হেৰুৱাই পেলায়। সেয়েহে এই দিশৰ পৰা তেওঁৰ হত্যা হোৱাটো কোনো আপত্তিৰ কাৰণ নহয়।

শ্বক্ক দুটা দুৰ্গৰ সংমিশ্ৰণ আছিল। পোনপ্ৰথমে তেখেত (ছাঃ)য়ে উবি দুৰ্গৰ ফালে আগবাঢ়ে, আৰু এটা পাহাৰৰ ওপৰত থিয় হৈ তেখেত (ছাঃ)য়ে দুৰ্গত অৱস্থান কৰা সকলৰ সৈতে যুদ্ধ কৰে। প্ৰথমে যুদ্ধ আৰম্ভ হয় হজৰত হাবাব বিন মনজৰ (ৰাঃ)ৰ পৰা যিজন জেহেশ সকলৰ ফালৰ এজন ব্যক্তি আছিল। তাৰ পিছত আবু দুজানা (ৰাঃ) মুছলমান সকলৰ ফালৰ পৰা যুদ্ধ কৰে। যুদ্ধত মুছলমান সকলৰ বিজয় লাভ হোৱাত ইহুদী সকলে পৰাজয় বৰণ কৰে। তাৰ পিছত মুছলমান সকলে আগবাঢ়ে আৰু সেই দুৰ্গৰ ওপৰত আক্ৰমণ চলায়। ইহুদীসকলে মুছলমান সকলৰ ওপৰত তীব্ৰভাৱে ধনুৰ্ধৰ জনে তীৰ চলায়, মুছলমান সকলেও প্ৰতিদ্বন্দ্বিতাত কাঁড় নিক্ষেপ কৰে। ইহুদীসকলে ওখ স্থানৰ পৰা মুছলমান সকলৰ ওপৰত কাঁড় নিক্ষেপ কৰি আছিল। সেই কাৰণে এই আক্ৰমণত মুছলমান সকলৰ ক্ষতি হয়। জানিব পৰা যায় যে ইহুদীসকলৰ বিশেষকৈ সেই ঠাইত আক্ৰমণ কৰাৰ লক্ষ্য আছিল যি ঠাইত হুজুৰ (ছাঃ)য়ে শিবিৰ পাতিছিল। ৰছুলুল্লাহ (ছাঃ) ৰ সৈতে চাহাবা সকলেও আছিল, এটা কাঁড় তেখেত (ছাঃ)ৰ কাপোৰত আহি লাগে। এটা বৰ্ণনাত উল্লেখ পোৱা যায় যে তেখেত (ছাঃ)য়ে সেই কাঁড়ৰ আঘাতত ক্ষত হৈছিল, তেখেত (ছাঃ)য়ে এমুঠি শিলগুটি লৈ তেওঁলোকৰ ওপৰত দলিয়াই দিয়ে, যাৰ ফলত তেওঁলোকৰ দুৰ্গ কঁপিব

ধৰে, ইয়াৰ পিছত মুছলমান সকলে ইহুদীসকলক গ্ৰেপ্তাৰ কৰি লয়।

ইয়াৰ পিছত মুছলমান সকলে আৰু তিনিটা দুৰ্গ ঘেৰাও কৰি সেইবোৰৰ ওপৰত বিজয় লাভ কৰে। সেই দুৰ্গসমূহৰ ভিতৰত এটা কমুচ দুৰ্গ যিটো শক্তিশালী দুৰ্গ আছিল। ৰছুলুল্লাহ (ছাঃ)য়ে চৌধ্য দিনলৈকে সেই দুৰ্গৰ ঘেৰাও কৰে, ইয়াৰ পিছত তেখেত (ছাঃ)য়ে এই সিদ্ধান্তত উপনীত হয় যে ইহুদীসকলৰ ওপৰত মিনজিনক কৰা হওঁক, অৰ্থাৎ কামানৰ দ্বাৰা শিল দলিওৱা হওঁক। ইহুদী সকলে যেতিয়া নিজৰ ধ্বংসৰ কথা গম পায় তেতিয়া তেওঁলোকে ৰছুলুল্লাহ (ছাঃ)ৰ সৈতে শান্তি স্থাপনৰ প্ৰস্তাৱ জনায়। ইহুদী সকলৰ এই দাবীৰ ফলত মুছলমান সকলৰ সৈতে ইহুদী সকলৰ অস্ত্ৰ সনৰ্পনৰ এটা চুক্তি হৈছিল। এই চুক্তিত নবী কৰিম (ছাঃ)য়ে ইহুদী সকলৰ সৈতে বৰ কোমলতাৰ সৈতে আচৰণ কৰে। ছহীহ বুখাৰীৰ বৰ্ণনা অনুযায়ী নবী কৰিম (ছাঃ)য়ে খায়বৰ অঞ্চল ইহুদীসকলক এই বুলি কৈ দি দিয়ে যে তেওঁলোকে ইয়াৰ ওপৰত খেতি-বাৰি কৰিব। ইয়াতে যি উৎপন্ন হ'ব তাৰ পৰা ইহুদীসকলৰ বাবে আধা অংশ। খায়বৰত ১৭ জন চাহাবা (ৰাঃ) শ্বহীদ হয়।

ইতিহাস আৰু ছিৰাতৰ কিতাপত উল্লেখ পোৱা যায় যে খায়বৰ বিজয় লাভ কৰাৰ পাছত যেতিয়া মুছলমান সকলে ইহুদী সকলৰ সৈতে চুক্তি কৰে তেতিয়া লোকসকলে কিনানা আৰু তেওঁৰ ভাই ৰবিক ৰছুলুল্লাহ (ছাঃ)ৰ ওচৰত লৈ আহে। কিনানা খায়বৰৰ ধনী ব্যক্তি আছিল, আৰু হজৰত ছাফিয়াৰ (ৰাঃ)ৰ স্বামী আছিল। ৰবি তেওঁৰ খুৰাৰ ল'ৰা আছিল। কিনানাৰ ওচৰত ইহুদী জাতিৰ বনু নজিৰৰ চৰ্দাৰ হাই বিন আখতবৰ সা-সম্পদ আছিল, তাতে সোণ আৰু ৰূপৰ অলংকাৰ আছিল। ৰছুলুল্লাহ (ছাঃ)য়ে সেই দুয়োজনৰ সা-সম্পদৰ বিষয়ে বিস্তাৰিত ব্যাখ্যা বিচাৰিলে, তেওঁলোক উভয়ে ক'বলৈ অস্বীকাৰ কৰিলে। ৰছুলুল্লাহ (ছাঃ)য়ে কলে যে তোমালোক দুয়োজনে যদি মোৰ পৰা কিবা গোপন কৰিব বিচৰা আৰু যদি সেয়া পিছত গৈ প্ৰকাশ পায় তেতিয়া তোমালোকৰ ওপৰত আল্লাহ আৰু ৰছুলৰ কোনো দায়িত্ব নাথাকিব। ইতিহাস আৰু ছিৰতৰ কিতাপ অনুসৰি জনা যায় যে ৰছুলুল্লাহ (ছাঃ)য়ে কিছু চিহ্নাৱলীৰ বিষয়ে কৈ এজন চাহাবাক পঠিয়ায়, সেই চাহাবাজনে সেই সা-সম্পদ লৈ আহে; যাৰ মূল্য দহ হাজাৰ দিনাৰ নিৰ্ধাৰণ কৰা হয়। ইয়াৰ পিছত কিনানা আৰু ৰবিক হত্যা কৰি পেলোৱা হয়। কিছু বৰ্ণনা অনুযায়ী কিনানাক কঠিন শিলেৰে আঘাত দিয়াৰ বৰ্ণনা পোৱা যায়।

হুজুৰ আনোৱাৰ (আইঃ)য়ে এই দুৰ্গৰ বিষয়ে বিভিন্ন বৰ্ণনা বয়ান কৰাৰ পিছত ইয়াৰ বিষয়ে সামগ্ৰিক মন্তব্য দাঙি ধৰি এই ঘটনাক সত্যৰ বিপৰীত আৰু ৰছুলুল্লাহ (ছাঃ)ৰ দয়াৰ পৰা বহু দূৰত বুলি গণ্য কৰে, আৰু কয় যে ইয়াতেও আপত্তিকাৰী সকলে ইছলাম আৰু আঁহজৰত (ছাঃ)ৰ পৱিত্ৰ অস্তিত্বৰ ওপৰত আপত্তি কৰিছে যে তেখেত (ছাঃ) ধন-সম্পদৰ লোভী আছিল। এইটো প্ৰকাশ কৰিব বিচাৰিছিল যে তেখেত (ছাঃ)য়ে কেনে পৰ্যায়ত অত্যাচাৰ স্থায়ী ৰখাৰ পৰা আঁতৰি থকা নাছিল। তেখেত (ছাঃ)ৰ জীৱন সুস্পষ্ট কিতাপৰ দৰে। তেখেত (ছাঃ)য়ে যুদ্ধৰ আগতে এই নিৰ্দেশ দিছিল যে কোনো শিশু, কোনো মহিলাক হত্যা নকৰিবা, এনেকি কোনো গছও বিনা কাৰণ কাটি নেপেলাব। য'ত পশুক কষ্ট দিয়াটো নিষেধ কৰিছে এনে ক্ষেত্ৰত মানুহৰ ওপৰত কেনেকৈ অত্যাচাৰ কৰিব পাৰে ? যুদ্ধলব্ধৰ বাবে যুদ্ধ কৰা এইটোও তেখেত (ছাঃ)ৰ ওপৰত এটা আপত্তি। খায়বৰ সেই যুদ্ধ, যাৰ ফালে যাত্ৰা কৰাৰ আগতেই তেখেত (ছাঃ)য়ে এই ঘোষণা কৰিছিল যে যিসকলে ধন-সম্পদ জমা কৰাৰ উদ্দেশ্যে যুদ্ধলৈ যাব বিচাৰে তেওঁলোকে মোৰ সৈতে নাযাব। যিজন নবীৰ আদৰ্শ এনেকুৱা তেখেতৰ সম্বন্ধে এনেকুৱা কোনো বৰ্ণনা সন্মুখলৈ আহিলে ন্যায়ৰ চাহিদাই এইটোক বিচাৰে সেইটোক গভীৰ দৃষ্টিৰে চোৱা হওঁক। ইয়াৰ প্ৰয়োগ আৰু ব্যাখ্যাৰ চেষ্টা কৰা হওঁক। তেখেত (ছাঃ) ন্যায়ৰ প্ৰতিমূৰ্তি আৰু জ্ঞানৰ ধ্বজাবাহক

আছিল। তেখেত (ছাঃ)ৰ প্ৰতি এনেধৰণৰ কৰ্ম আৰোপ কৰা কোনো প্ৰকাৰেই ন্যায় হ'ব নোৱাৰে।

হুজুৰ আনোৱাৰ (আইঃ)য়ে প্ৰাচ্যতত্ত্ববিদ সকলৰ আপত্তিৰ ওপৰত বৰ্ণনাৰ আভ্যন্তৰীণ সাক্ষীৰ প্ৰতি দৃষ্টি ৰাখি মন্তব্য প্ৰকাশ কৰিছে; আৰু অসত্য বৰ্ণনাবোৰক ভুল বুলি প্ৰমাণ কৰিছে। আল্লামা শ্বুবলি নুমানিয়ে এই বৰ্ণনাক ভুল বুলি সাব্যস্ত কৰিছে। এইদৰে কিনানাক হত্যা কৰাৰ কাৰণ এইটো কৈছে যে তেওঁ মাহমুদ বিন মুছলিমাক হত্যা কৰিছিল। ৰছুলুল্লাহ (ছাঃ)ৰ নিৰ্দেশ মতে মহম্মদ বিন মুছলিমাই নিজৰ ভাইৰ প্ৰতিশোধ হিচাপে কিনানাক হত্যা কৰে।

বৰ্তমান যুগৰ এজন আহমদী লিখক ছৈয়দ বৰকাত আহমদ চাহাবে নিজৰ কিতাপ **ৰছুলে কৰিম ছাঃ আৰু ইহুদে হিজাজত** লিখিছে যে ইবনে ইছহাকে কোনো প্ৰমাণ অবিহনে এই ঘটনা বৰ্ণনা কৰিছে। প্ৰথম কথাটো হৈছে শাস্তি দিয়াৰ প্ৰথা আৰু সেইটোও অগ্নিৰ শাস্তি যিটো ইছলামী শিক্ষাৰ বিপৰীত শিক্ষা আছিল। দ্বিতীয় এইটো যে গোটেই খায়বৰৰ ধন-সম্পদ বিতৰণৰ সন্দৰ্ভত কতো কোনো বৰ্ণনা পোৱা নাযায়। সেই ধন-সম্পদ বায়তুল মালত জমা কৰাৰো কোনো বৰ্ণনা পোৱা নাযায়।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে যে এইটো হৈছে আচল বাস্তৱতা। এই ঘটনা আগলৈ অব্যাহত থাকিব। ইয়াত এই ঘটনাবোৰৰ মাজত এগৰাকী ইহুদী মহিলাৰ উল্লেখ পোৱা যায় যিয়ে আঁহজৰত (ছাঃ)ক বিষ দিয়াৰ চেষ্টা কৰিছিল। তেখেত (ছাঃ)ৰ বিৰুদ্ধে ষড়যন্ত্ৰ ৰচিছিল, কিন্তু আল্লাহ তা'লাই তেখেত (ছাঃ)ক সুৰক্ষিত ৰাখে। কিয়নো এইটো দীৰ্ঘ ঘটনা ইনশা আল্লাহ পৰৱৰ্তীত বৰ্ণনা কৰিম।

শেষত হুজুৰ আনোৱাৰ (আইঃ)য়ে মাননীয় মাষ্টাৰ মনছুৰ আহমদ চাহাব কাহিলোন অষ্ট্ৰেলিয়া ইবনে মাননীয় শ্বৰিফ আহমদ চাহাব কাহিলোনৰ সদগতি কামনা কৰি নামাজে জানাজা গায়েব পঢ়াৰ ঘোষণা কৰে আৰু মৰহুমৰ মাগফিৰাত আৰু উচ্চ মৰ্যাদাৰ বাবে দোৱা কৰে।

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَنْ يَّهْدِهِ اللّٰهُ فَلَا مُضِلَّ لَهٗ وَمَنْ يُّضْلِلْهُ فَلَا هَادِيَ لَهٗ وَنَشْهَدُ اَنْ لَّا اِلٰهَ اِلَّا اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ۔ عِبَادَ اللّٰهِ رحمكم الله اِنَّ اللّٰهَ يَاْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِي الْقُرْبٰى
وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ۔

ASSAMESE KHULASA KHUTBA JUMA HUZUR ANWAR [aba] 14 FEB 2025

## BOOK POST (PRINTED MATTER)

TO,

..............................................................................................................

..............................................................................................................

..............................................................................................................

NASHOR-O ISHAAT QADIAN, DIST GURDASPUR,143516 PUNJAB